# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 03-03-2025**

**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন, প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ ৪ হাজাৰ ৫০০টা পদৰ বাবে অনলাইন আবেদনৰ তাৰিখ পুনৰ সলনি কৰিছে। পূৰ্বে এই প্ৰক্ৰিয়া আজি আৰম্ভ হোৱাৰ কথা আছিল। আজি প্ৰাথমিক শিক্ষা সঞ্চালকে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ৮ মাৰ্চৰ পৰা ৮ এপ্ৰিললৈ প্ৰাৰ্থীসকলে এই পদসমূহৰ বাবে অনলাইন আবেদন কৰিব পাৰিব। সঞ্চালকালয়ে প্ৰাথমিক বিদ্যালয়ত দুহেজাৰ ৯০০টা আৰু উচ্চ প্ৰাথমিকৰ এহেজাৰ ৬০০টা শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। এই বিজ্ঞাপন অনুসৰি প্ৰাৰ্থীসকলে বিভাগীয় ৱেবছাইটৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব শ্ৰৱন দিৱস পালন কৰা হয়। গুৱাহাটীৰ দৃষ্টিহীন ক্ৰিকেট ফেডাৰেশ্বনৰ সৌজন্যত লখিমপুৰ জিলাৰ চিনাতলীয়াৰ মুকবধিৰ বিশেষ বিদ্যালয়ত এই দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতিয়ে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ন যাতে কোনো কাৰণতে আধৰুৱা নহয় তাৰ বাবে অভিভাৱকসকলক সচেতন হবলৈ অনুৰোধ জনায়। নগাঁৱৰ ভোগেশ্বৰী ফুকননি অসামৰিক চিকিৎসালয়ত আজি সকলো বিভাগৰ বিশেষজ্ঞ আৰু নাৰ্চিং পাঠ্যক্ৰমৰ ছাত্ৰীসকলৰ উপস্থিতিত বিশ্ব শ্ৰৱণ দিৱস পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি কাৰ্যসূচীত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰৱণ শক্তি পৰীক্ষা কৰাৰ লগতে নৱজাতকৰ পৰা বৃদ্ধলৈকে কাণৰ যতন লোৱাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সন্দৰ্ভত আলোচনা কৰা হয়। নগাওঁ জিলাৰ খণ্ড পৰ্যায়তো ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ বিষয়ববীয়াসকলে কেইবাখনো বিদ্যালয়লৈ গৈ ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰৱণ শক্তিৰ পৰীক্ষা কৰে। মাজুলী জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত কমলাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত শ্ৰৱণ দিৱস পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি এটা সজাগতামূলক ৰেলী উলিওৱাৰ লগতে প্ৰচাৰ পত্ৰিকা বিতৰণেৰে জনসাধাৰণক কাণৰ যতন সন্দৰ্ভত সচেতন কৰাৰ প্ৰয়াস কৰা হয়। ধুবুৰী জিলাতো আজি জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত বিশ্ব শ্ৰৱণ দিৱস উপলক্ষে সজাগতা সভা, শ্ৰৱণ পৰীক্ষণ শিবিৰকে ধৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০

আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি চৰাইদেউ জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত তথা জিলা প্ৰশাসনৰ সহযোগত অহা ৭ মাৰ্চত চৰাইদেউ জিলা অসামৰিক চিকিৎসালয়ৰ প্ৰাংগনত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। এই স্বাস্থ্য পৰীক্ষা শিবিৰত স্তনৰ কৰ্কটৰোগ, জৰায়ুৰ কৰ্কটৰোগ, মুখ গহ্বৰৰ

কৰ্কটৰোগ, মধুমেহ, উচ্চ ৰক্তচাপ, হেপাটাইটিছ-বি আৰু চিৰ পৰীক্ষাৰ উপৰি আয়ুষ্মাণ ভাৰত স্বাস্থ্য পত্ৰ অৰ্থাৎ আভা কাৰ্ড প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহায় কৰা হ'ব।

০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে আজি অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ শিৱসাগৰত হ'বলগীয়া ৫২ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ বাবে বিশেষ নৈমিত্তিক ছুটী প্ৰদানৰ কথা ঘোষণা কৰে। বিদ্যালয় শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশ অনুসৰি অহা ২০ৰ পৰা ২২ মাৰ্চলৈ হ'বলগীয়া এই অধিৱেশনত অংশগ্ৰহণ কৰা সন্থাৰ প্ৰতিনিধিসকলে এই বিশেষ নৈমিত্তিক ছুটী লাভ কৰিব।

০০০০

ছত্তিশগড়ৰ পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ নামত এখন আসন সংৰক্ষণ কৰা হ'ব বুলি ৰাজ্যখনৰ ৰাজ্যপাল তথা পূৰ্বৰ মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ৰমেন ডেকাই আজি গুৱাহাটীত এখন সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয়, যে ইয়াৰ বাবে ৰাজ্যখনৰ বাজেটত ২ কোটি টকা ধাৰ্য্য কৰা হৈছে। ছত্তিশগড়ৰ ৰাজ্যভাষাতে মহাপুৰুষ গুৰুজনাৰ সৃষ্টিৰাজিক লৈ শিক্ষাৰ্থীসকলে গৱেষণা কৰিব পাৰিব বুলি শ্ৰীডেকাই জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে গুৱাহাটীৰ উজানবজাৰৰ মহিলা ভাওনা দলে ছত্তিশগড়ত গুৰুজনাৰ অমৰ সৃষ্টি ভাওনা প্ৰদৰ্শন কৰিব। অসমত শীঘ্ৰে ছত্তিশগড় ভৱন নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰি শ্ৰীডেকাই মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাক ছত্তিশগড়তো অসম ভৱন স্থাপনৰ বাবে আহ্বান জনায়।

০০০০

দৰং জিলাৰ চিপাঝাৰ হাতীমুৰীয়া নিৱাসী ব্যাস সংগীতৰ বিশিষ্ট শিল্পী ধৰ্মেশ্বৰ নাথৰ আজি বিয়লি মঙলদৈ অসামৰিক চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৮০ বছৰ। লোককৃষ্টিৰ সাধক ধৰ্মেশ্বৰ নাথে ১৯৮৪ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত শিল্পীৰ মৰ্যদা লাভ কৰি নিয়মীয়াকৈ ওজাপালি পৰিবেশন কৰি আহিছিল। ২০২৩ চনত তেওঁ ভাৰত চৰকাৰৰ সংগীত নাটক একাডেমীৰ অমৃত বঁটা আৰু ২০২৪ চনত ৰাজ্য চৰকাৰৰ সন্মানীয় বিষ্ণুৰাভা বঁটা লাভ কৰিছিল।

ব্যাস ওজাপালিৰ একান্ত সাধক ধৰ্মেশ্বৰ নাথৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে এটা শোকবাৰ্তাত শিল্পীগৰাকীৰ মৃত্যুয়ে দৰঙী লোককৃষ্টিৰ ক্ষেত্ৰখনত বৃহৎ শূন্যতাৰ সৃষ্টি কৰিলে বুলি মন্তব্য কৰে। তেখেতৰ লোককৃষ্টিৰ সাধনা বহুতৰ বাবে চিৰদিন অনুকৰণীয় আদৰ্শ হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শিল্পীগৰাকীৰ মৃত্যুত দৰং - ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলিপ শইকীয়া, চিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীকে ধৰি বিভিন্ন ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ